# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 06-09-2025 **Time :** 0755Hrs.

২০২৬ চনৰ ব'হাগ বিহুৰ পূৰ্বে ৰাজ্যৰ উচ্চতৰ মাধ্যমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়সমূহত স্মাৰ্ট ক্লাছ আৰম্ভ হ'ব। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলে কৃত্ৰিম বুদ্ধিমত্তা প্ৰযুক্তিৰে অধ্যয়নৰ সুবিধা লাভ কৰিব। তেজপুৰ বিশ্ববিদ্যালয়ত কালি শিক্ষক দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত অংশগ্ৰহণৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে চৰকাৰী বিদ্যালয়সমূহত ব্যক্তিগত বিদ্যালয়তকৈ আধুনিক সা-সুবিধা অধিক থাকিব। বিদ্যালয়ত ঐচ্ছিক বিষয়ৰ বাবে শিক্ষকৰ প্ৰয়োজন সন্দৰ্ভত ডাঃ পেগুৱে কয়, যে কলাৰ দৰে বিষয়সমূহ যিকোনো এটা অঞ্চলত থকা স্বীকৃতিপ্ৰাপ্ত সংগীত বিদ্যালয়ত ঐচ্ছিক বিষয় হিচাপে ল'ব পৰা যাব। আনুষ্ঠানিক শিক্ষাৰ বিদ্যালয়ৰ সৈতে এনে সংগীত বিদ্যালয়ৰ বুজাবুজি চুক্তি থাকিব আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ঐচ্ছিক বিষয়ৰ নম্বৰ এনে সংগীত বিদ্যালয়ে প্ৰদান কৰিব। ছাত্ৰ-ছাত্ৰীসকলে ফুটবল খেলকো ঐচ্ছিক বিষয় হিচাপে ল'ব পাৰিব বুলি উল্লেখ কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে কয়, যে ইয়াৰ বাবে চৰকাৰে ইতিমধ্যে অসম ফুটবল সন্থাৰ সৈতে আলোচনা কৰিছে। ৰাজ্যৰ ঠায়ে ঠায়ে থকা ফুটবল একাডেমীসমূহত শিক্ষাৰ্থীসকলে ফুটবলৰ পাঠ্যক্ৰম গ্ৰহণৰ সুযোগ লাভ কৰিব পাৰিব বুলি তেওঁ উল্লেখ কৰে।

এই অনুষ্ঠানতে কালি শিক্ষামন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ ১৫ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক কৃতী শিক্ষক বঁটাৰে সন্মানিত কৰে। তেওঁ লগতে ৰাষ্ট্ৰীয় মূল্যাংকন আৰু প্ৰত্যায়ন পৰিষদ, NAAC-ৰ মূল্যায়ণত এ-গ্ৰেড লাভ কৰা ছখন মহাবিদ্যালয়, শিক্ষাসেতু এপত সৰ্বাধিক উপস্থিতি থকা ৩ খন জিলাকে ধৰি শৈক্ষিক দিশত বিভিন্ন ক্ষেত্ৰত সফলতা লাভ কৰা কেইবাগৰাকী ব্যক্তি তথা প্ৰতিষ্ঠানক সম্বৰ্ধনা জনায়।

0000000

ৰাজ্য চৰকাৰৰ মাতৃ-পিতৃ বন্দনা আঁচনিৰ অধীনত ৰাজ্যিক কৰ্মচাৰীসকলৰ বাবে বিশেষ নৈমিত্তিক ছুটী মঞ্জুৰ কৰা হৈছে। এই সন্দৰ্ভত  সাধাৰণ প্ৰশাসন বিভাগে জাৰি কৰা নিৰ্দেশ অনুসৰি অহা ১৪ আৰু ১৫ নৱেম্বৰত কৰ্মচাৰীসকলে এই বিশেষ নৈমিত্তিক ছুটী লাভ কৰিব। কৰ্মচাৰীসকলে ১৬ নৱেম্বৰ অৰ্থাৎ দেওবাৰৰ দিনটোও মাতৃ-পিতৃ বন্দনাৰ বাবে ব্যৱহাৰ কৰিব পাৰিব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

0000000

ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পাতালত নৱজাতক সলনি হোৱা বুলি জোনটি মেচ নামৰ এগৰাকী মাতৃয়ে আৰক্ষীক অভিযোগ দিয়াত বিষয়টোৱে বিতৰ্কৰ সৃষ্টি কৰিছে। মাতৃগৰাকীৰ অভিযোগ অনুসৰি নৱজাতকটিৰ গাত ক'লা ৰঙৰ দাগ এটা স্পষ্টভাবে আছিল যদিও পৰৱৰ্তী সময়ত শৰীৰত কোনো দাগ নথকা শিশু এটিহে হাস্পাতাল কৰ্তৃপক্ষই তেওঁৰ হাতত তুলি দিয়ে। আনহাতে, উত্থাপিত অভিযোগ সন্দৰ্ভত অসম চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডাঃ ধ্ৰুৱজ্যোতি ভূঞাই এনে ধৰণৰ ঘটনা হ'ব নোৱাৰে বুলি স্পষ্ট কৰি দিয়ে।

0000000

তিনিচুকীয়া বৰগুৰিস্থিত পৰমানন্দ জাতীয় বিদ্যালয়ত কালি অৱসৰপ্ৰাপ্ত বন বিষয়া মুকুল শৰ্মাৰ **মোৰ দৃষ্টি, প্ৰকৃতিৰ সৃষ্টি- এটি প্ৰয়াস** নামৰ এখন গ্ৰন্থ উন্মোচন কৰা হয়। প্ৰকৃতিৰ প্ৰতি অকৃত্ৰিম মৰম থকা অৱসৰপ্ৰাপ্ত বন বিষয়া মুকুল শৰ্মাই চাক্ষুস অভিজ্ঞতাৰে জীৱ-জন্তু আৰু চৰাই চিৰিকতিৰ বিষয়ে গ্ৰন্থখনত উল্লেখ কৰিছে। অসমত দেখা পোৱা ২৪বিধ বিভিন্ন প্ৰজাতিৰ চৰাই, বাৰেকুৰিৰ হলৌ বান্দৰ আদিৰ কথাও গ্ৰন্থখনত সন্নিবিষ্ট হৈছে। এই গ্ৰন্থ উন্মোচনী অনুষ্ঠানত ভূৱন চন্দ্ৰ বৰা, ৰাণাদ্বীপ দুৱৰা,তৃপ্তি দাস আদিকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে।

০০০০০০০

তিনিচুকীয়া চলিহা নগৰৰ খেলপথাৰত চতুৰ্দশ বাৰ্ষিক তিনিচুকীয়া কেন্দ্ৰীয় কৰম সন্মিলনত আজি সন্ধিয়া মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হ'ব। কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই সন্মিলনত আজি নিশাৰ ভাগত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০০

জি এছ্ টি পৰিষদে অহা ২২ ছেপ্তেম্বৰৰ পৰা কাৰ্যকৰী হোৱাকৈ সামগ্ৰী আৰু সেৱা কৰ বৰ্তমানৰ ৪ টা স্তৰৰ পৰা ২ টালৈ হ্ৰাস কৰাৰ সিদ্ধান্তক সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে আদৰণি জনাইছে। এই সিদ্ধান্তৰ ফলত দেশৰ বজাৰৰ ১৭৫ বিধ সামগ্ৰীৰ ওপৰত থকা কৰৰ পৰিমাণ হ্ৰাস পাব।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত জি এছ্ টি হ্ৰাস সম্পৰ্কে সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ মতামত প্ৰচাৰ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য সংসাধন আঁচনিৰ অধীনত খোৱাং সমষ্টিৰ বৰবৰুৱা উন্নয়ন খণ্ডৰ প্ৰেক্ষাগৃহত কালি ঋণ শিবিৰ আৰু সজাগতা সভা অনুষ্ঠিত হয়। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত আয়োজন কৰা এই অনুষ্ঠানত খোৱাং বিধানসভা সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈ, ডিব্ৰুগড় জিলাৰ জিলা আয়ুক্ত বিক্ৰম কৈৰী, অসম ৰাজ্যিক জীৱিকা অভিযানৰ জিলা প্ৰকল্প বিষয়া অনিন্দ ভূ্ঞাৰ লগতে ভালেসংখ্যক বিষয়া উপস্থিত থাকে। এই আঁচনিৰ জৰিয়তে আত্মসহায়ক গোটৰ সদস্যসকলক আত্মনিৰ্ভৰশীল হোৱাৰ পদক্ষেপ ল'বলৈ আহ্বান জনোৱা হয়।

০০০০০০০

**সমাপ্ত**